সকলৰ সৈতে কথা-বতৰা পাতে। তেওঁৰ মৃত্যুত মানুহে কিবা ঐশ্বৰিক চিন দেখিবলৈ পাব বুলি আশা কৰে। কিন্তু ঐশ্বৰিক চিনৰ ঠাইত বুঢ়াৰ শৰীৰ সোনকালে জহি যাবলৈ ধৰে। যিবিলাক ভকতে গোৰাপন্থী আতৈসকলৰ প্ৰভাৱ সহ্য কৰিব নোৱাৰিছিল সেইবিলাকে এই কথাত যথেষ্ট আমোদ লাভ কৰে। এওঁলোকৰ যুক্তি—শৰীৰটো জহি যোৱা মানে জছিমাৰ শিক্ষাবিলাকো নিৰৰ্থক আৰু মিছা।

মঠৰ ঘটনাবিলাকত নিৰাশ হৈ আল্য়শ্যাই গ্ৰুশ্বেঙ্কাৰ ঘৰত ভুমুকি মাৰে। গ্ৰুশ্বেঙ্কাই তাৰ কৌমাৰ্য্য হৰণ কৰিবলৈ মন মেলিছিল। সি লক্ষ্য কৰে তাই পুৰণি প্ৰেমিক এজনৰ লগত পলাই গৈ কাৰামাজফ পৰিয়ালৰ বলিয়ালিৰ পৰা নিস্তাৰ পাব খোজে। নিৰ্মল প্ৰকৃতিৰ আল্য়শ্যাই গ্ৰুশ্বেঙ্কাৰ ভালখিনিহে দেখে; তায়ো তাৰ অন্তৰত সমবেদনা বিচাৰি পায়।

কাটেৰিনাৰ ধাৰ সুজিবলৈ মিত্ৰিয়ে উপায় বিচাৰি নাপায়। গ্ৰুশ্বেঙ্কা ঘৰত নাই বুলি জানিব পাৰি বুকুৰ পোৰণিত তৰণি নাপাই সি ফ্যডৰৰ ঘৰত তাইক বিচাৰি যায়। তাইক নাপালে, কিন্তু বাপেকক খতম কৰিবলৈ হাতত লৈ যোৱা দাংডালেৰে সি বুঢ়া চাকৰ গ্ৰিগৰিক আহত কৰে। গ্ৰুশ্বেঙ্কা পলাই যোৱা গম পাই সি পিচ লয়, আৰু তাইক দুজন পোলেণ্ডবাসীৰ লগত দোকান এখনত দেখে। তাই ততালিকে তাৰ কাৰণে ব্যাকুলতা প্ৰকাশ কৰে। ইয়াৰ পিচত মদৰ নিচাত দুয়ো মচগুল হৈ থাকোঁতে পুলিচ উপস্থিত হয়হি। পুলিচে অভিযোগ তোলে যে ফ্যডৰ মৰি আছে, তাৰ সা-সম্পত্তি লুণ্ঠিত হৈছে, আৰু ইয়াৰ কাৰণে মিত্ৰিয়ে জগৰীয়া। গাত লাগি থকা তেজ, জেপৰ ধন, আৰু ফ্যডৰৰ বিপক্ষে উচ্চাৰণ কৰা গৰম কথাবোৰেই এই জগৰৰ সাক্ষী হ'ল। মিত্ৰিয়ে অপৰাধ দঢ়াই দঢ়াই অস্বীকাৰ কৰি কলে যে সি যি ধন উকৰাইছে সি কাটেৰিনাৰ পৰা ধাৰ কৰা ধনহে। কিন্তু তাৰ বিপক্ষে প্ৰমাণ ইমান সবল দেখা গ'ল যে পুলিচে তাক নি জেলত সুমুৱালে।

মিত্ৰিৰ গ্ৰেপ্তাৰৰ পাচত গ্ৰুশেঙ্কা নৰিয়াত পৰিল। পৰস্পৰৰ অন্তৰত ওপজা ঈৰ্ষায়ো দুয়োকে কষ্ট দিলে। এক অদ্ভুত সপোনৰ প্ৰভাৱত মিত্ৰিয়ে ভাবিবলৈ ধৰিলে যে মানবৰ অপৰাধৰ প্ৰায়শ্চিত্ত কৰিবৰ কাৰণেই নিৰপৰাধী হৈয়ো সি যাতনা ভোগ কৰিবলৈ ওলাইছে। আইভান আৰু কাটেৰিনাই তাক পলুৱাই নিবৰ কাৰণে চেষ্টা কৰি থাকিল।

বিচাৰৰ আগখিনিতে আইভানে লিটিকাই স্মেৰ্‌ড্যাকফক তিনি-বেলি লগ পায়। স্মেৰ্‌ড্যাকফে এবেলি কৈছিল যে সি ইচ্ছা কৰিলেই তেঁউৰীয়া মানুহৰ ভাও লব পাবে। ফ্যডৰৰ হত্যাকাৰীৰ অন্বেষণ চলি থাকোঁতেও সি এই তেঁউৰত পৰা ৰোগীৰ ভাও লৈছিল। তৃতীয়বেলি তাক লগ পাওঁতে সিহে ফ্যডৰক হত্যা কৰিছে এইবুলি স্বীকাৰোক্তি কৰিলে। সি অৱশ্যে কলে যে আইভানৰ হাতৰ অস্ত্ৰ-হিচাবেহে সি কাৰ্য্যটো কৰিলে, কিয়নো আইভানে তাৰ মগজুত সুমুৱাই দিছিল যে বুঢ়া ফ্যডৰৰ মৃত্যু পৰিয়ালৰ আটাইবে আশীৰ্বাদ-স্বৰূপ হব। এনে এসময়ত সি তাৰ গিৰিহঁতক হত্যা কৰিলে যিসময়ত আটাইবিলাক প্ৰমাণে আঙুলিয়ালে মিত্ৰিলৈ। তাৰ মনৰ ভাব, আইভানে তাক ডোকাৰ তলত ৰাখি জীৱিকাৰ ব্যৱস্থা এটি কৰি দিব। এই তৃতীয়বেলি লগ পাওঁতে সি আইভানক চোৰাং ধন কিছুমান দিলে। আইভানে নিজৰ খোটালিলৈ উভতি দুঃচিন্তা আৰু জ্বৰত পৰি প্ৰলাপ বকিবলৈ ধৰে। শৰীৰ ভাঙি নিয়া জ্বৰত আইভানে নিজৰ অন্তৰত লুকাই থকা দেও এটা দেখিবলৈ ধৰে। সেই ৰাতিয়ে স্মেৰ্‌ড্যাকফেও নিজৰ মনৰ তলিৰ অনুশোচনা সহ্য কৰিব নোৱাৰি আপোনঘাতী হয়।

কাৰামাজফ পৰিয়ালৰ মোকৰ্দমাটোৰ সংবাদ গোটেই ৰুছিয়াতে বিয়পি পৰিল আৰু বিচাৰৰ সময়ত কিছুমান গণ্যমান্য ব্যক্তি কাছাৰীত উপস্থিত হলহি। ফৰিয়াদীপক্ষৰ পৰা মিত্ৰিৰ বিপক্ষে প্ৰমাণবিলাক বঢ়িয়াকৈ থিয় কৰিলে, কিন্তু মস্কোৰ পৰা অহা এক

উকীলে সেইবিলাক এটা এটাকৈ খণ্ডন কৰিলে। ডাক্তৰৰ পৰীক্ষাত মিত্রি অস্বাভাবিক প্রকৃতিৰ বুলি ঠিৰাং হ'ল, অৱশ্যে শেহত ডাক্তৰ-কেইজন একমত হব নোৱাৰিলে। কাটেৰিনাই স্ত্রীসুলভ প্রতিশোধ ললে এইদৰে—বাপেকক হত্যা কৰি ধন লৈ তাইৰ ধাৰ মাৰিব বুলি তাইলৈ মিত্রিয়ে লিখা চিঠি এখন কাছাৰীত উলিয়াই দিলে। জ্বৰীয়া গাৰেই আইভানে সাক্ষী দিলে যে স্মেৰ্ড্যাকফে এই হত্যা কৰিছে বুলি স্বীকাৰোক্তি কৰি গৈছে। সি ধনখিনি কাছাৰীত উলিয়াই দিলে, কিন্তু নিজক চম্ভালিব নোৱাৰি কৈ পেলালে যে তাৰ ভিতৰত থকা দেওৱে তাক দেখা দিয়ে। তাৰ সাক্ষ্যৰ মূল্য নাইকিয়া হল।

আচামীপক্ষৰ সুদক্ষ ওকালতী বিফল হল, আৰু জুৰিয়ে মিত্রিকে অপৰাধী কৰি সিদ্ধান্ত দিলে। কাটেৰিনাই সেই চিঠিখন মুকলি কৰি নিজক অপৰাধী বোধ কৰিলে আৰু ভাবিলে তুয়ো ভাইৰ অৰিয়াঅৰিৰ হেতু তাই নিজেহে। তাই আইভানৰ বিছনাকাষ ত্যাগ কৰি মিত্রিৰ খবৰ কৰিবলৈ হস্পিটেললৈ গ'ল। মিত্রিও নৰিয়াত পৰিছিল। তাই যেতিয়া মিত্রিৰ ক্ষমা প্রার্থনা কৰে তেতিয়া তাত আল্‌য়শ্চা আৰু গ্রুশেঙ্কাও উপস্থিত আছিল।

স্কুলীয়া দিনৰ বন্ধু এজনৰ শৱ-ব্যৱস্থাত উপস্থিত থাকিবলৈ আল্‌য়শ্চা ওলাই গ'ল, মিত্রিৰ কাষত থাকিল গ্রুশেঙ্কা। মৰণৰ শোক আৰু জীৱনৰ যাতনা অনুভৱ কৰি আল্‌য়শ্চাৰ অন্তৰ পুতৌ আৰু সমবেদনাৰে পূৰ হল, আৰু সি মৃতকৰ আত্মীয় আৰু ডেকা বন্ধুসকলক সৎ পথ লবলৈ আৰু মানুহক মৰম দিয়াৰ অর্থে জীয়াই থাকিবলৈ উদ্‌গনি দিলে। সি নিজে ওলাল মিত্রিৰ লগত চাইবেৰিয়ালৈ যাবলৈ, কিয়নো নিৰাপৰাধ আৰু সত্যৰ হকে নিজক উছৰ্গা কৰাটোৱেই কৰ্ত্তব্য বুলি সি বিবেচনা কৰিলে।

'কাৰামাজফ ভ্ৰাতৃসকল'ৰ গাঁথনি যথেষ্ট জটিল, এইখনৰ আলোচনাও কৰিব লাগে কেইবাটাও চাপৰ পৰা। কিতাপখনত ওপৰে ওপৰে চালে কাহিনীত লগাতকৈ ওপৰঞ্চি বৰ্ণনা, নাইবা ধৰ্ম, নীতি আদি লৈ কেতবোৰ প্ৰবন্ধ সোমাই থকা যেন লাগিলেও গোটেইবিলাক অংশ এনেদৰে সজোৱা হৈছে যে আদিৰ পৰা অন্তলৈ সংহতিৰ অভাৱ লক্ষ্য কৰা নাযায়। অৱশ্যে এনেদৰেও মন্তব্য কৰা হৈছে যে ডষ্টয়এফ্‌স্কিয়ে উপন্যাসখন আৰু দীঘলীয়া কৰিব খুজিছিল আৰু তেনে কৰা হলে কেতবোৰ ওলমি থকা অংশ গোটেইখনৰ গাঁথনিত খাপ খাই পৰিলহেঁতেন।

সি যি নহওক, কিতাপখনত পোৱা ডাঙৰীয়া, বায়ত, খৃষ্টীয় ভকত, সাধাৰণ তৰপৰ তিৰোতা, শিক্ষাগৰ্বী, ৰাজবিষয়া—আদি অলেখ চৰিত্ৰই জাৰৰ দিনৰ ৰুছীয় সমাজৰ বহল ছবি এটি দাঙি ধৰে। প্ৰকৃততে কিন্তু কিতাপখন এটি পৰিয়ালৰ সমস্যা লৈ গঢ়ি উঠা। বংশগতি বা হেৰেডিটিৰ দৃষ্টিভঙ্গীৰ পৰা বিশ্লেষণ কৰা হৈছে পিতৃ আৰু পুত্ৰৰ মাজত থকা সম্বন্ধ আৰু সেই সম্বন্ধৰ লগত জড়িত হিংসা, ঘৃণা, তেজৰ টান আদি ভাব কেতবোৰ; এই ভাব তীব্ৰ কৰিছে যৌন বিষয়ৰ অৰিয়াঅৰি আৰু নৰহত্যাৰ প্ৰবৃত্তি এইয়ে। এনে ভাবকে ফ্ৰইটীয় মনোবিশ্লেষণে ইডিপাছ কম্‌প্লেক্স বা পিতৃ-হিংসা বুলি ব্যাখ্যা কৰে। বুঢ়া লম্পট কাৰামাজফৰ পৰা বিৰাগীমনৰ আলয়শ্ছালৈ, বুদ্ধিজীৱী নাস্তিক আইভানৰ পৰা ঋষিতুল্য আতৈ জছিমালৈ, নিজক যাতনা দি সুখ পোৱা আঁকৰী লিজাভেটাৰ পৰা আৰামপ্ৰিয় কুহকিনী গ্ৰুশেঙ্কালৈ—কিতাপখনত বিভিন্ন প্ৰকৃতিৰ চৰিত্ৰৰ বিভোপন চিত্ৰণ আছে। বুঢ়া কাৰামাজফৰ মৃত্যু এনে ৰহস্যপূৰ্ণ যে এই ঘটনাই দেখাত-দোষী আৰু মনোভাৱৰ-পৰা-

দোষী—আটাইকেইজন পুত্ৰকে জালত মেৰিয়ায়। এই ফালৰ পৰা কিতাপখন অপৰাধ সাৰ কৰি ৰচিত ৰহস্যকাহিনী। অপৰাধৰ বীজ লক্ষ্য কৰিব পাৰি প্ৰত্যেকজনৰ গুটীয়া নৈতিক দৃষ্টিভঙ্গী, ধৰ্মসমন্ধীয় ভাব আৰু দাৰ্শনিক বিশ্বাসত। এই কাৰণে, কিতাপখনৰ গাঁথনি, কাহিনী আৰু তলিত লুকাই থকা ভাব আটাইবে মাজত অপূৰ্ব সংহতি দেখা গৈছে।

মানুহৰ প্ৰকৃতিত থকা এক অদ্ভুত জটিলতাই ডষ্ টয়এফ্ স্কিৰ সৃজনী শক্তি আকৃষ্ট কৰিছিল। অপৰাধ-প্ৰৱণতা আৰু তাৰ কাৰণে অনুভৱ কৰা মানসিক সংঘাত তেওঁৰ মানত মানুহৰ প্ৰকৃতিৰ বিশেষ লক্ষণ। ইয়াক সৎ আৰু অসতৰ সংগ্ৰাম বুলিও ক'ব পাৰি। বিভিন্ন ধৰণৰ টান অনুভৱ কৰি মিত্ৰিয়ে এঠাইত উক্তি কৰিছে—'মই আছিলোঁ পাষণ্ড, তথাপি সতৰ প্ৰতি মোৰ অনুৰাগ আছিল।...সৎ আৰু অসৎ অদ্ভুতধৰণে মানুহৰ ভিতৰত মিহলি হৈছে।'

সৎ আৰু অসতৰ সমস্যা, খৃষ্টীয় ধৰ্মৰ স্বৰূপ, ৰুছিয়াৰ ভবিষ্যৎ, আদি বিষয়ৰ গভীৰ প্ৰশ্ন আৰু আলোচনাই কিতাপখনত ঠাই পাইছে। আটাইবিলাক ইয়াত আলোচনা কৰা সম্ভৱ নহয়। কিতাপখনত দ্বেষ, লাম্পট্য, নাস্তিকতা, নৰহত্যা আদিয়ে যি এন্ধাৰ পৰিবেশৰ সৃষ্টি কৰিছে তাত ধৰ্ম আৰু নীতিৰ ৰেঙনি পৰিছে বুঢ়া জছিমা আৰু কোমলবয়সীয়া আল্‌য়শ্যাৰ ভাব আৰু চিন্তাৰ জৰিয়তে। লগৰ বন্ধুবিলাকক আল্‌য়শ্যাই উদগনি দিয়ে এইদৰে—'জীৱনে যেন তোমালোকক ভয় নেদেখুৱায়। সৎ আৰু ন্যায়কাৰ্য্য কৰিব পাৰিলে জীৱন কেনে বঢ়িয়া লাগে!'

মুঠৰ ওপৰত, মানুহৰ প্ৰকৃতিৰ গোপন স্তৰত লুকাই থকা পাশবিকতা আৰু নীচতা যি স্পষ্টভাবে বিশ্লেষণ কৰা হৈছে, আধুনিক মানুহৰ দুশ্চিন্তা আৰু আবেগৰ সংঘাত যিদৰে মুকলি কৰি দেখুওৱা হৈছে, তালৈ চালে এই শকত উপন্যাসখনে সাহিত্যৰ অতি উচ্চ খাপত স্থান দাবী কৰে।

সাধাৰণতে এই ঔপন্যাসিকজনৰ কথা ওলালে তেওঁৰ সৰুসুৰা ৰচনাবোৰৰ কথা আওকাণ কৰা হয়। এই চুটি ৰচনাবোৰে কিন্তু তেওঁক বেলেগ স্বৰূপ এটিত দেখুৱাব পাৰে। উদাহৰণ দিবলৈ গ'লে, 'যুগমীয়া স্বামী'য়ে ( ডি ইটাবনেল হাজ্‌বেণ্ড ) তেওঁক হাস্যৰসিক বুলিও প্ৰমাণ কৰে। ইয়াতো অৱশ্যে মনোবিশ্লেষণৰ অভাৱ নাই। ভেলটৃচানিনফে 'যুগমীয়া স্বামী'ৰ ঘৈণীয়েকক ভোগ কৰি যি দোষী ভাব বোধ কৰে তাৰ অনুপম বিশ্লেষণ কৰা হৈছে। ভেলটৃচানিনফ্ আৰু স্বামীজনৰ যি খৰিয়াল লাগে তাক এনে গহীনভাবে বৰ্ণোৱা হৈছে যে সি এই পাতল কাহিনীটোৰ ৰহইচ আৰু বঢ়ায়। স্বামীয়ে নতুন ঘৈণীয়েক এজনী সংগ্ৰহ কৰি আকৌ মস্কিলত পৰে,—ভেলটৃ-চানিনফক কাবৌ কৰে তেওঁ যাতে ছোৱালীজনীক নষ্ট নকৰে! এই ধৰণৰ হাঁহি তোলোৱা বিবিধ ঘটনা উপন্যাসখনত পায়। পাতল কাহিনীৰ আঁৰত অৱশ্যে গভীৰতৰ ব্যঞ্জনাৰো অভাৱ নাই। এইদৰে এক 'অপ্ৰিয় পৰিস্থিতি' ( এন্ আন্‌প্লেজেণ্ট্ প্ৰেডিকেমেণ্ট্ ) নামৰ উপন্যাসৰ কাহিনীটোও হাস্যোদ্দীপক। এক ভেমপুৰীয়া বিষয়াই সকলো মানুহ যে ভাই ভাই আৰু তেওঁৰ যে সৰু-ডাঙৰ ভাব নাই এই তথ্যৰ আৰ্হি দেখুৱাবলৈ অনিমন্ত্ৰিতভাবে এক কেৰাণীৰ বিয়ালৈ গৈ বিয়াখনৰে সৰ্বনাশ সাধিব খোজে।...

ডষ্টয়এফ্স্কিৰ মানসিক আৰু সৃজনীমূলক জীৱনত কেতবোৰ অদ্ভুত বৈষম্য লক্ষ্য কৰিব পাৰি। সংস্কাৰপন্থী আৰু বিপ্লৱীসকলে তেওঁক প্ৰতিক্ৰিয়াশীল বুলিলেও তেওঁ সেই সময়ৰ প্ৰতিক্ৰিয়াশীল-সকলৰ লগত খাপ নাখায়। এক লুটিৰ ফালৰ পৰা তেওঁ সামাজিক ব্যৱস্থা আৰু সাম্যবাদী চিন্তাৰ যেনে শত্ৰু আছিল, আন এটি লুটিৰ পৰা সেইদৰে ব্যক্তিজীৱনৰ সত্যৰ সন্ধান কৰিছিল আৰু লাঞ্ছিত

আৰু দলিতৰ প্ৰতিও গভীৰ সমবেদনা দেখুৱাব পাৰিছিল। ব্যক্তি-জীৱনৰ অন্তৰতলিৰ সংঘাত আৰু অচেতন মনৰ সঁহাৰি তেওঁৰ দৰে কম লোকেহে বিশ্লেষণ কৰিছে। তেওঁৰ ৰচনাৰ ঠাঁচতো এটি গতিশীলতা আৰু জোৰ লক্ষ্য কৰিব পাৰি। অকল ব্যক্তিজীৱনৰ সত্য উদঘাটন কৰা বুলিলেই তেওঁৰ আটাইখিনি কোৱা নহয়; পৰিয়াল আৰু সমাজৰ বহুত লোকৰ পাৰস্পৰিক সম্পৰ্ক বা ক্ৰিয়া লক্ষ্য কৰাতো তেওঁ সিদ্ধহস্ত। তেওঁৰ এই লক্ষণটো ছোভিয়েট লিখকসকলে অনুকৰণ কৰিছে। মনোবিশ্লেষণৰ কথা ক'বলৈ গ'লে, নিজক আৰু লোকক যাতনা দি তৃপ্তি পোৱা লক্ষণ, পিতৃদ্বেষ, দ্বিধা-বিভক্ত ব্যক্তিত্বৰ সমস্যা আদিৰ যি সূক্ষ্ম বিশ্লেষণ তেওঁৰ ৰচনাত পায় সেয়ে আধুনিক যুগৰ ফ্ৰইটীয় মনোবিশ্লেষণৰ কথা বাৰে বাৰে সোঁৱৰায়।

সংজ্ঞাৰ প্ৰৱাহ কৌশলত আজিকালি অসাধাৰণ চৰিত্ৰ নাইবা চৰিত্ৰৰ এটি বা দুটি লুটিকে বৰ্ণনা কৰা বিধি আওকাণ কৰা হৈছে; এতিয়া চৰিত্ৰৰ সম্পূৰ্ণ অবয়ব আৰু 'আনৰ নিচিনা' নাইবা সচৰাচৰ দেখিবলৈ পোৱা নৰ-নাৰীৰ সংজ্ঞাৰ ক্ষণকেতবোৰকে সৰহকৈ বিশ্লেষণ কৰা হয়। বাহিৰৰ ঘটনাতকৈ ভিতৰৰ বাসনা-কামনা, চিন্তাৰ প্ৰৱাহ, আনকি সপোন, অকলশৰে থকা মানুহৰ নিজৰ মনতে চলা কথা ইত্যাদিত লিখকৰ নজৰ। আধুনিক উপন্যাসত সেইকাৰণে জীৱনৰ মুহূৰ্তকেতবোৰৰ সম্পূৰ্ণাঙ্গ আভাস পাব পাৰি, কিন্তু ধাৰাবাহিক কাহিনী আৰু মনত সাঁচ বহুৱাব পৰা চৰিত্ৰ পাবলৈ টান। এই যুগৰ লেখত লবলগীয়া উপন্যাসত এইধৰণে মনোবিজ্ঞানে প্ৰাধান্য লাভ কৰিছে। ইয়াৰ ফলত উপন্যাসত সাধাৰণ অৰ্থৰ গাঁথনি আৰু আখ্যান বিৰল হ'ল। ডছ্‌টয়এফ্‌স্কিয়ে উপন্যাসৰ কেন্দ্ৰত নিচেই সাধাৰণ আৰু 'আনৰ নিচিনা' চৰিত্ৰ স্থাপন কৰি সেইবিলাকৰ সংজ্ঞাৰ প্ৰৱাহতে জোৰ দিয়া নাছিল—তেওঁ যোৱা শতিকাৰ লিখক; কিন্তু সাধাৰণ তৰপৰ চৰিত্ৰ তেওঁৰ কিতাপত অলেখ আছে আৰু যাই


চৰিত্ৰবিলাকৰ অন্তৰৰ ক্ৰিয়াৰ যি বিশ্লেষণ আছে তাত আধুনিক সংজ্ঞাৰ প্ৰবাহৰ সংকেত পায় ( শ্বেক্ছপিয়াৰতো পায় ! )। দ্বিতীয়তে, বৰ্ত্তমান যুগৰ ৰচনাত মানুহৰ প্ৰকৃতিৰ কিছুমান বিষম ব্যৱহাৰ যিদৰে দেখি—যেনে, অস্বাভাৱিক যৌনলিপ্সা, বলিয়ালি, মাতলামি, বিকাৰগ্ৰস্ত লোকৰ কাৰ্য্য—সেইবিলাকৰ আৰ্হি ডছ্টয়এফ্স্কিত আছে।

ইংৰাজ সমালোচক এজনে মন্তব্য কৰিছে যে ৰুছীয় লিখকৰ ওপৰত আনদেশীয় আৰ্হিৰ প্ৰভাৱ পৰিলেও তেওঁলোকে মূল আৰ্হিতকৈ উন্নত ৰচনা দিব পাৰে। ডছ্টয়এফ্স্কিৰ উপন্যাসৰ আৰ্হি ইংৰাজ ঔপন্যাসিক ডিকেন্স্ আৰু ফৰাছী লিখকত লক্ষ্য কৰিব পাৰি ; কিন্তু ডছ্টয়এফ্স্কিৰ উপন্যাসৰ যি গভীৰতা, যি মানবিকতা, নাইবা চৰিত্ৰ যিমান পূৰ্ণাঙ্গ তাৰ বিপৰীতে ডিকেন্স, জৰ্জ ছেণ্ড আৰু বাল্জাকৰ ৰচনা পাতল লাগে। প্ৰথম মহাযুদ্ধৰ সময়ৰ পৰা ইংৰাজী উপন্যাসৰ ক্ষেত্ৰতো ডছ্টয়এফ্স্কিৰ চিন্তা আৰু ৰচনা-ভঙ্গীৰ প্ৰভাৱ লক্ষ্য কৰিব পৰা হৈছে। ডি. এইচ. লৰেন্সেও এওঁৰ প্ৰভাৱৰ কথা উল্লেখ কৰিছে।

# দাৰ্শনিক বাৰ্ট্ৰাণ্ড ৰাছেল

## (১)

অপ্ৰিয় সত্য প্ৰকাশ কৰিবলৈ পিচ নোহোঁহোকা বুলি ইংৰাজ দাৰ্শনিক বাৰট্ৰাণ্ড ৰাছেলৰ কুখ্যাতি যথেষ্ট। সদনাম-বদনাম আওকাণ কৰিবৰ বেলিকাও ৰাছেল সকলোতকৈ আগত। আজি কিছুমান বছৰৰ আগেয়ে তেওঁৰ মতবাদৰ কাৰণে কমিউনিষ্টসকলে প্ৰতিক্ৰিয়াশীল বুলি এই দাৰ্শনিকজনক যথেষ্ট সমালোচনা কৰিছিল। সমষ্টিৰ নামত ব্যক্তিক বলি দিব নোখোজা এই লোকজনে মানবৰ বৰ্তমান আৰু ভবিষ্যৎ সম্পৰ্কে যথেষ্ট চিন্তা খৰচ কৰিছে, সেই কাৰণেই অলপতে তেওঁ আঞ্চলিক আৰু সীমান্ত বিবোধৰ মীমাংসাৰ ক্ষেত্ৰত বলপ্ৰয়োগ নকৰি শান্তিৰ জৰিয়তে বিবোধ সমাধান কৰা যুগুত বুলি যি আন্তৰ্জাতিক চুক্তিৰ প্ৰস্তাৱ ৰুছিয়াৰ প্ৰধান মন্ত্ৰী খ্ৰুশ্চেভে আগ বঢ়াইছে (ডিচেম্বৰ ১৯৬৩), সেই প্ৰস্তাৱত সৰ্বান্তঃকৰণে সমৰ্থন জনাই এইদৰে মন্তব্য কৰিছিল, "বৰ্তমান পাৰমাণৱিক যুগত বিৰোধ মীমাংসাৰ পথহিচাবে আৰু যুদ্ধ নিষিদ্ধকৰণৰ বাটত এক গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে পশ্চিমীয়া দেশসমূহে ইয়াক ততালিকে গ্ৰহণ নকৰা দেখি মই অত্যন্ত হতাশ হৈছোঁ।......পাৰমাণৱিক যুদ্ধৰ ভয়াবহ সপোনৰ পৰা মুক্ত হোৱা বিশ্বইহে একমাত্ৰ স্থায়ী বিশ্ব প্ৰতিষ্ঠা কৰিব পাৰিব। এনে এখন বিশ্বতেই চোভিয়েট যুক্তৰাষ্ট্ৰ আৰু আমেৰিকাই যুদ্ধ নাইবা সেনাবাহিনীৰ বাবে হোৱা বিৰাট ব্যয়ৰ দুঃসহ বোজাৰ পৰা অব্যাহতি পাব পাৰিব। ফলত সমূহ সম্পদ আৰু অৰ্থনৈতিক শক্তিক আমাৰ সকলোৰে সুখ আৰু সমৃদ্ধিৰ হকে বিপুলভাৱে প্ৰয়োগ কৰিব পৰা হব আৰু বৰ্তমানে



বাছেল

মানব জাতিক উৎপীড়ন কৰি থকা বিৰোধৰো সমাধান কৰিব পৰা যাব।"

ৰাছেলৰ বয়স চাবিকুৰি দহৰ ওপৰ হ'ল, তথাপি তেওঁৰ মেধা এতিয়াও সজীৱ হৈ আছে। চাবিকুৰি বছৰ পূৰ হবৰ সময়ত তেওঁ তেওঁৰ জীৱনৰ কৰ্ম প্ৰায় সমাধা হ'ল, এনে ধাৰণা পোষণ কৰি নিজৰ বিষয়ে এইদৰে কৈফিয়ৎ দিছিল, "মোৰ জীৱনৰ গহীন অংশ ল'ৰা-কালিৰ পৰাই ছুটি বিভিন্ন লক্ষ্যত নিযুক্ত হৈ আহিছে—আজি কেই বছৰমানৰ ভিতৰতহে এই ছুটা মিলি এক গোটত লগ লাগিছে। এহাতে কিবা সঁচাকৈয়ে জানিব পাৰিনে এই সত্য উদঘাটন কৰিবলৈ হেঁপাহ কৰিছিলোঁ; আনহাতে আছিলোঁ ইয়াতকৈ সুখী জগত এখন সৃষ্টি কৰিবলৈ যিয়ে সম্ভৱ তাৰ চেষ্টাত।"

## ( ২ )

জ্ঞানৰ প্ৰতি, বিশেষকৈ প্ৰমাণসিদ্ধ জ্ঞানৰ প্ৰতি, অনুৰাগ আৰু মানবজাতিৰ প্ৰতি এক উদাৰ মনোভাব লৈ জন্ম লাভ কৰা এই পুৰুষজনৰ সৰুকালিৰ অভিজ্ঞতাই তেওঁৰ প্ৰকৃতিত এক বিশিষ্ট সাঁচ দিছে। বিখ্যাত ৰাছেল নামৰ অভিজাত পৰিয়ালত উপজি সৰু-কালৰ পৰাই তেওঁ দেশ-বিদেশৰ শীৰ্ষস্থানীয় লোকসকলৰ সংস্পৰ্শলৈ আহিছিল। এওঁৰ ককাদেউতাক জন ৰাছেল এই বংশৰ প্ৰথম আৰ্ল। এওঁ ১৮৩২ চনত পাৰ্লিয়ামেণ্টত ৰিফৰ্ম বিলখন উত্থাপন কৰিছিল আৰু মধ্যবিত্ত শ্ৰেণীক ভোটদানৰ সুযোগ দি এই বিলখনে বৃটিশ গণতন্ত্ৰক এদোপ আগুৱাই নিছিল। এওঁ প্ৰধান মন্ত্ৰীৰ বাবো খাইছিল। তেজী আৰু উদাৰ মনৰ এই মন্ত্ৰীজনে মহাৰাণী ভিক্টোৰিয়াক বুজাবলৈ চেষ্টা কৰিছিল বোলে ৰজা হৈছে প্ৰজাৰ নিয়োগপ্ৰাপ্ত বিষয়া, সেইহেতু ৰজা অকামিলা হলে তেওঁক আঁতৰাবৰ অধিকাৰো প্ৰজাতে বৰ্তে। মহাৰাণীয়ে এনে দৃষ্টিভঙ্গী

পচন্দ নকৰিলেও তেওঁক লণ্ডনৰ পৰা দহমাইলমান আঁতৰত থকা বিচমণ্ড পাৰ্কৰ ঘৰ এটা যাৱৎজীৱন থাকিবলৈ দিছিল। এই ঘৰতে বাৰট্ৰাণ্ড ৰাছেলৰ কুমলীয়া বছৰবোৰ পাৰ হয়। জনশিক্ষা আৰু ধৰ্মমতৰ স্বাধীনতাৰ ক্ষেত্ৰতো জন ৰাছেলৰ কিছু বৰঙনি আছিল আৰু ১৮২৮ চনত তেওঁৰ উদ্যোগত পাছ কৰা আইন এখনৰ ফল-স্বৰূপেই ইহুদী আদি লোকো পাৰ্লিয়ামেণ্টৰ সভ্য হব পৰা হয়।

নিচেই সৰুকালিতে অৰ্থাৎ তিনি বছৰ বয়সৰ ভিতৰতে বাৰট্ৰাণ্ড ৰাছেলে পিতৃমাতৃ দুয়োকে হেৰুৱায়। এওঁলোক আছিল 'মুক্তচিন্তক' অৰ্থাৎ ধৰ্মৰ ক্ষেত্ৰত এওঁলোকে কোনো ধৰাবন্ধা অনুষ্ঠান পালি নচলিছিল। দেউতাকে মৃত্যুৰ সময়ত তেওঁৰ দুই শিশু পুত্ৰক 'মুক্তচিন্তক' দুজনৰ তত্বাবধানত থবলৈ হেঁপাহ কৰিছিল, কিন্তু আদালতে তেওঁৰ উইল নাকচ কৰে আৰু ল'ৰা দুটি তেওঁলোকৰ বুঢ়ী আইতাকৰ লগত থাকি সৰ্বসাধাৰণে পালি চলা খৃষ্টীয় পন্থত ডাঙৰ-দীঘল হোৱাৰ ব্যৱস্থা দিয়ে।

বুঢ়ীৰ ঘৰুৱা শাসন বাৰট্ৰাণ্ড ৰাছেলৰ সজীৱ আৰু সন্ধানী মনে ঠৰঙা বোধ কৰিছিল। ৰাজনৈতিক মতবাদত উদাৰ হলেও সেই সময়ৰ আন আন লোকৰ দৰে বৃটিঃশ শাসন-প্ৰণালী যে শ্ৰেয়ঃ, এচিয়া-আফ্ৰিকা আদি দেশৰ পৰাধীন লোকক উন্নত কৰাৰ দায়িত্ব যে ইংৰাজৰ, বিপ্লৱ নাইবা উত্তেজনা যে প্ৰশংসনীয় নহয়, শান্তিৰ পথেদিয়ে প্ৰগতি সম্ভৱ হব, সৎ জীৱন যাপন কৰি ধৰ্ম্মত একান্ত মতি ৰখাহে যে মানুহৰ কৰ্তব্য, এনে কিছুমান ধাৰণা বুঢ়ীৰ আছিল। যোৱা শতিকাৰ শেহভাগৰ শান্তিময় পৰিবেশত বহুত মানুহে এনে আত্মসন্তুষ্টিৰ ভাব পোষণ কৰিছিল। ঘৰৰ পৰিবেশ আছিল নৈতিকতাবাদী, গোৰা, নিৰানন্দ আৰু ভদ্ৰ। এনে ঘৰত দাৰ্শনিক চিন্তাৰো ঠাই নাই, কিয়নো এনে চিন্তাই মনত ওপজায় সন্দেহ। আনহাতে গণিত চৰ্চ্চাৰো আদৰ তাত নাই, কিয়নো এই বিষয়ত নৈতিকতাৰ সঁচ কিবা পায়নে? ফলত কুমলীয়া ৰাছেলৰ মনত যি

চিন্তা-চৰ্চ্চা নাইবা প্ৰশ্নৰ বুৰবুৰণি উঠিছিল সি প্ৰকাশ নাপাইছিল। নিজৰ মন নিজৰ ভিতৰতে সামৰি ৰাখিব লগা হৈছিল। আমাৰ বহুতকে যেনেকৈ কৈশোৰ অৱস্থাত ধৰ্ম-অধৰ্ম, ভগবানৰ অস্তিত্ব নাইবা সৎ-অসৎ লৈ কেতবিলাক চিন্তাই বিচলিত কৰে সেইদৰে চৌধ বছৰমান বয়সত ৰাছেলৰ মনতো ঘৰত পোৱা ধৰ্মশিক্ষাসম্বন্ধে কিছুমান প্ৰশ্নৰ উদয় হয়। প্ৰশ্নৰ সমাধান হয় সময়ত ধৰ্মত সমূলি আস্থা হেৰুৱাই। মানুহ স্বইচ্ছাৰ দ্বাৰা চালিত হোৱা তথ্য (ইচ্ছা-স্বাতন্ত্ৰ্য), আত্মাৰ অমৰত্ব, সৃষ্টিৰ মূল শক্তি ভগৱান—এনে কথা-বিলাকৰ ঠাই অধিকাৰ কৰিলে নতুনকৈ প্ৰচাৰিত দাৰউইনৰ তথ্য আদি বৈজ্ঞানিক চিন্তাই।

ৰাছেলক লাগিছিল প্ৰমাণসিদ্ধ জ্ঞান—যি জ্ঞান নাইবা তথ্য প্ৰমাণ কৰি সত্য ঠাৱৰ কৰিব পাৰি। তেওঁৰ মন কি দৰে চলিছিল তাৰ আভাস পায় সৰু ঘটনা এটিৰ পৰা। তেওঁতকৈ সাত বছৰে ডাঙৰ ককায়েকে এদিন তেওঁক ইউক্লিদৰ জ্যামিতি শিকাবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। ৰাছেলে ভাবিলে, ভালেই হ'ল, অন্ততঃ প্ৰমাণ কৰিব পৰা কিবা এটা শিকিব পাৰিম। কিন্তু দেখিলে যেতিয়া যে ইউক্লিদেও আৰম্ভ কৰিছে স্বতঃসিদ্ধৰ গাত ভেজা লৈ, তেতিয়া তেওঁ হতাশ হ'ল। ককায়েকক কলে, এই স্বতঃসিদ্ধ মানি লোৱাৰ যুক্তি মই একো নাপাওঁ। ককায়েকে কলে, এইদৰে মানি নললে জ্যামিতি শিকিবৰ অন্য পন্থা নাই। ৰাছেলে জ্যামিতি আওকাণ নকৰিলে যদিও প্ৰমাণসিদ্ধ জ্ঞান পাবলৈ যে টান এই অভিজ্ঞতাই তেওঁক মনোকষ্ট দিলে।

সৰুকালি ঘৰুৱা শিক্ষকৰ লগত পাঠ অভ্যাস কৰি পিচত ওঠৰ বছৰ বয়সত তেওঁ কেমব্ৰিজ বিশ্ববিদ্যালয়ত নাম লগায়। বিশ্ব-বিদ্যালয়ৰ পৰিবেশে তেওঁক কিন্তু যথেষ্ট উৎসাহিত কৰিলে, কিয়নো ইয়াত তেওঁ পালে আলোচন-বিলোচন কৰিবৰ সঙ্গী, মেধাৱী অধ্যাপকো দুই-এজন পালে। কেমব্ৰিজত চাৰি বছৰ অধ্যয়ন কৰি

গণিত আৰু দৰ্শনত সুখ্যাতিৰে ডিগ্ৰী লাভ কৰাৰ পিচত ১৮৯৫ খৃষ্টাব্দত তেওঁ পঢ়া ট্ৰিনিটি কলেজতে ফেলো নিযুক্ত হয়; ১৯১০ চনত লেকচাৰাৰ বাবো পায়। ইয়াৰ ভিতৰতে তেওঁ বাৰ্লিনত অৰ্থনীতি আৰু ফ্লোৰেঞ্চত আৰ্ট চৰ্চা কৰি কিছুদিন কটায়। ১৮৯৬ খৃষ্টাব্দত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ জনজ্ হপকিনছ্ বিশ্ববিদ্যালয় আৰু ব্ৰনমোৰ কলেজত অ-ইউক্লিডীয় জ্যামিতি বিষয়ত বক্তৃতা দিয়ে।

কেমব্ৰিজৰ ডিগ্ৰী লাভ কৰি বংশৰ লোকসকলৰ দৰে তেৱোঁ ৰাজনীতিত মনোনিবেশ কৰিব পাৰিলেহেঁতেন; কৰ্তৃত্বশীল মহলৰ পৰা তেওঁ এই বিষয়ে কিছু উদ্গনিও পাইছিল, আনকি পেৰিছৰ বৃটিশ এমবেছিত তেওঁ কেইদিনমান চাকৰিও কৰিছিল, কিন্তু চিন্তাৰ জগতেই তেওঁৰ মনপ্ৰাণ সামৰি ললে, ৰাজনৈতিক আকাংক্ষা তেওঁ নেওচা দিলে। ১৯১৪ চনলৈ এই কালডোখৰ গণিত আৰু ন্যায় চৰ্চাৰ কাল। এই চৰ্চাৰ লগতে অৱশ্যে গ্ৰন্থচৰ্চাৰ কামো চলে। ১৯০০ চনত জাৰ্মান দাৰ্শনিক আৰু গাণিতিক লাইপ্‌নিটছৰ ওপৰত এখন মূল্যবান আলোচনা প্ৰকাশ হয়; ১৯০৩ চনত ওলায় 'ডি প্ৰিনচিপলছ অভ মেথমেটিক্স' নামৰ বিখ্যাত কিতাপ। ১৯০৮ চনত তেওঁক ৰয়েল চোচাইটিয়ে ফেলো বা সভ্য নিৰ্বাচিত কৰে। ১৯১০-১৩ কাল-ডোখৰত তেওঁ তেওঁৰ ভূতপূৰ্ব শিক্ষক প্ৰফেছৰ হোৱাইটহেডৰ লগ লাগি 'প্ৰিনচিপিয়া মেথমেটিকা' গ্ৰন্থ ৰচনা কৰে।

## ( ৩ )

তথ্যৰ চৰ্চ্চা কৰোঁতে বাহিৰৰ জগৎ এখনো যে থাকিব পাৰে এনে কথা তেওঁ পাহৰিয়ে পেলাইছিল। আঠত্ৰিশ বছৰলৈকে তেওঁ সৰহ সময় কটায় গভীৰ জ্ঞানৰ অনুশীলন কৰি, কিন্তু ১৯১৪ চনত অকস্মাৎ বাহিৰৰ জগতৰ খুন্দাত তেওঁৰ সমাধি ভঙ্গ হয়। প্ৰথম মহাসমৰৰ আবিৰ্ভাবে তেওঁৰ সমুখত নতুন ধৰণৰ দায়িত্ব এটি দাঙি

ধৰিলে, তেওঁ মানসিক জগতৰ পৰা ব্যৱহাৰিক জগতলৈ নামি আহিবলৈ বাধ্য হয়। স্বদেশৰ প্ৰতি তেওঁৰ প্ৰীতি অকণো নকমিল যদিও, তেওঁ দেখিলে এইখন অদৰ্কাৰী ৰণ, ৰাষ্ট্ৰবোৰে ইমান হেন্দোলদোপ কৰি ধ্বংসলীলাবহে আয়োজন কৰিছে। এই ধ্বংস-লীলাত লাখ লাখ ডেকা নাশ হ'ব, সভ্যতাৰ বহুতো সামগ্ৰী লোপ পাব, মানুহ পশুত্বলৈ উভতি যাব। এই যুদ্ধ তেওঁৰ বিবেকে সমৰ্থন কৰে কেনেকৈ? তেওঁৰ মনোভাব তেওঁৰ সবহ বন্ধু-বান্ধৱে পচন্দ নকৰিলে আৰু তেওঁলোক আটায়ে জাকৰ কাৰৈ জাকৰ লগত উজালে। তেওঁৰ ধাৰণা হ'ল, মেধাৰ—জ্ঞানৰ আৱশ্যকতা কি? সমাজ আৰু ৰাষ্ট্ৰ আওবাটে যাবলৈ ওলালে প্ৰকৃত পন্থা কি আঙুলিয়াই দিবলৈ নহয় নে? এক অভিনব সামাজিক দায়িত্ববোধে তেওঁক কৰিলে পেচিফিষ্ট বা শান্তিবাদী।

তেওঁ যুদ্ধত যোগতো নিদিলেই বৰং শান্তিবাদ প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিলে। মানুহে তেওঁক ভীৰু, দেশদ্ৰোহী আদি আখ্যা দিলে। চৰকাৰে তেওঁক প্ৰথমে এশ পাউণ্ড ধন জৰিমনা কৰে। জৰিমনা নিদিয়াত তেওঁৰ কিতাপ-পত্ৰবিলাক বাজেয়াপ্ত কৰি নীলামত দিয়ে। এই সময়ত তেওঁ কেমব্ৰিজৰ চাকৰিৰ পৰাও খেদা খায়। হাৰ্ভাৰ্ড ইউনিভাৰচিটিয়ে তেওঁক চাকৰি যাচিছিল, কিন্তু আমেৰিকালৈ যাবলৈ চৰকাৰে তেওঁক পাচপোৰ্ট নিদিলে। ১৯১৮ চনত প্ৰবন্ধ এটা লিখা জগৰত তেওঁক চৰকাৰে ছমাহৰ কাৰণে জেলতো ভৰায়।

শান্তিবাদৰ প্ৰচাৰত ৰাছেল নিচেই অকলশৰীয়া নাছিল। তেওঁৰ নিচিনা মনোভাবৰ লোক ইংলণ্ডতে নহয় আমেৰিকাতো দুই-চাৰিজন ওলাইছিল। আনকি যুক্তৰাষ্ট্ৰৰ সভাপতি উড্ৰো উইলচনো প্ৰথমতে শান্তিবাদীহে আছিল। ইটালিৰ পণ্ডিত বেনেডেট্টো ক্ৰোচ্ছে আৰু ফ্ৰান্সৰ ঔপন্যাসিক আনাটোল:ফ্ৰাঁচ আদি লোকেও এই যুদ্ধৰ প্ৰতিবাদ কৰি যথেষ্ট সাহৰ পৰিচয় দিছিল।

এই সময়ৰ অভিজ্ঞতা এটি ৰাছেলে নিজে বৰ্ণনা কৰিছে। এদিন

বন্ধু-বান্ধৱী এমুঠি লৈ লণ্ডনৰ চাউথগেইট অঞ্চলৰ গীৰ্জা এটাত তেওঁ শান্তিবাদ প্ৰচাৰ কৰিছে। সভাত ৰুচিয়াত কেৰেনস্কিৰ নেতৃত্বত ঘটা বিপ্লবৰ প্ৰশংসাও কৰা হৈছে। সেই সময়ত চৌপাশে যুদ্ধৰ পাশবিক উত্তেজনা, জাৰ্মান শত্ৰুৰ বিপক্ষে আটাইৰে জল্পনা-কল্পনা, তাৰ উপৰি শান্তিবাদীসকলৰ বিপক্ষে প্ৰচাৰ চলিছে, এনে স্থলত এই শিক্ষিত ডেকা-ডেকেৰীসকলৰ আদৰ্শবাদ শ্ৰোতাসকলে সহ্য কৰিবলৈ টান পালে। হৈ-চৈ লাগিল। ওচৰৰ মদৰ দোকান-বিলাকৰ পৰা মতা-মাইকী এসোপা মানুহে তেওঁলোকক বেঢ়ি ধৰিলেহি। দন্দুৰী তিৰোতা কেইজনীমানে হাতত লৈ আহিছে গজাল লাগি থকা তক্তা কেইডোখৰমান। মানুহবিলাকৰ লগে লগে পুলিচ কেইজনমান সোমাই অহাসত্ত্বেও দুজনমানে খুন্দিয়াই গটিয়াই লিখক ফ্ৰান্সিচ মেইনেলৰ গালে-মুখে তেজৰ সোঁত বোৱালে। পুলিচে মানুহবিলাকক উলিয়াই দিবলৈ চেষ্টা কৰিলে, এনেতে দুই বীৰাঙ্গনা ৰাছেললৈ বুলি চোঁচা লৈ আহিল। ভদ্ৰঘৰৰ সন্তান ৰাছেলে কি কৰোঁ কি নকৰোঁ থিৰ কৰিব নোৱাৰোঁতেই তেওঁৰ দলৰ গাভৰু এগৰাকীয়ে পুলিচৰ বিষয়াজনক তেওঁৰ শঙ্কটৰ অৱস্থা আঙুলিয়াই দেখুৱালে। বিষয়াজনে কাণষাৰ নকৰা দেখি গাভৰু-জনীয়ে কলে, "তেওঁ এলাপেচা লোক নহয়, বিখ্যাত দাৰ্শনিক", তথাপি পুলিচৰ গা নলৰিল। তেতিয়া তেওঁ কলে, "তেওঁ গোটেই জগততে জনাজাত বিদ্বান পুৰুষ।" তথাপি পুলিচ অলৰ। তেতিয়া তেওঁ কলে, "কিয়, তেওঁ এক আলৰ ভায়েক।" ততালিকে পুলিচ কৰ্মক্ষেত্ৰলৈ আগ বাঢ়িল! অৱশ্যে পুলিচ আগ বঢ়াৰ আগতে আন তিৰোতা এজনী ৰাছেলৰ সমুখত থিয় হৈ দন্দুৰী দুজনীৰ আক্ৰোহৰ পৰা পলাই নিস্তাৰ পাবলৈ তেওঁক সুযোগ দিলে। ইয়াৰ পিচত ৰাছেলক জেলত সুমুওৱা হ'ল, কিন্তু ৰবঘৰৰ লোক বুলি তেওঁক প্ৰথম শ্ৰেণীত ৰখা হৈছিল আৰু তাত তেওঁ লিখা-পঢ়াৰ সুচল যথেষ্ট পাইছিল, মাথোন প্ৰচাৰমূলক কামহে

কৰিবলৈ দিয়া নহৈছিল। জেলতো তেওঁ চাৰে চাৰিমাহ কালহে থাকিবলগীয়া হল।

জেলত থাকোঁতে তেওঁ 'ইনট্ৰোডাকশ্যন টু মেথমেটিকেল ফিলছফি' অৰ্থাৎ 'গাণিতিক দৰ্শনৰ ভূমিকা' নামৰ কিতাপ সম্পূৰ্ণ কৰে আৰু 'এনেলিচিছ অভ মাইণ্ড' অৰ্থাৎ 'চিত্তৰ বিশ্লেষণ' নামে আন এখন কিতাপ আৰম্ভ কৰে। জেল-জীৱনৰ ধেমেলীয়া অভিজ্ঞতা এটি তেওঁ এইদৰে বৰ্ণনা কৰিছে। জেলৰ ৱাৰ্ডাৰে তেওঁক দেখি তেওঁৰ নাম-ধাম লিখি ললে। তেওঁৰ ধৰ্মমতসম্পৰ্কেও প্ৰশ্ন কৰিলে। ৰাছেলে কলে, তেওঁ অজ্ঞেয়বাদী*। অৰ্দ্ধশিক্ষিত ৱাৰ্ডাৰে শব্দটোৰ বানান সুধি ললে আৰু হুমুনিয়াহ এটিৰে মন্তব্য কৰিলে এইদৰে, "এৰা, ধৰ্ম বহুতেই আছে, কিন্তু আটায়ে সন্তৱ একেজন ভগবানকে পূজা কৰে।"

ৰাছেলৰ ব্যাখ্যামতে, প্ৰথম মহাযুদ্ধত ইংলণ্ডই যোগ নিদিয়াহেঁতেন জাৰ্মানী জয়ী হ'লহেঁতেন হয়, কিন্তু ৰণ হ'লহেঁতন চমু, ইংলণ্ডৰ অকণো ক্ষতি নহলহেঁতেন, আমেৰিকা সাণ্ডোৰ নাথালেহেঁতেন আৰু ৰুছীয় কমিউনিজম্, ইটালীয় ফেচিজিম আৰু জাৰ্মানীয় নাজিজিমৰ জন্ম নহলহেঁতেন। তেওঁ কয়, সকলো সংগ্ৰাম অসাৰ্থক নহয়, যেনে দ্বিতীয় মহাসমৰ; কিন্তু প্ৰথম মহাসমৰৰ কোনো প্ৰয়োজন নাছিল। তেওঁ এনেকৈয়ো কয় যে আধুনিক গণতন্ত্ৰৰ বিজ্ঞনিত কাইজাৰৰ জাৰ্মানী নিকৃষ্ট নাছিল, বৰং আজিৰ ইংলণ্ড আদি দেশতকৈ তাত ব্যক্তিস্বাধীনতা সৰহহে আছিল। গণতন্ত্ৰৰ নামত পতা সংগ্ৰামে যে গণতন্ত্ৰৰ কিবা হিত সাধিছে এনে ভ্ৰান্তি ৰাছেলৰ নাই।

যুদ্ধৰ পাচত ১৯২০ চনত তেওঁ ৰুচিয়ালৈ যায় আৰু তাত লেনিন আদি নেতৃস্থানীয় লোকক লগ ধৰে। কিন্তু দুবৈৰ পৰা ৰুছীয়

* অৰ্থাৎ, ভগবানৰ বিষয়ে জানিবৰ উপায় নাই, সেইকাৰণে সেই বিষয়টো বৰ্জন কৰাই ভাল—এনে যাৰ সিদ্ধান্ত। ইংৰাজীত এনে লোকক এগনষ্টিক বোলা হয়।

বিপ্লৱে যি মনোমোহা ছবি দাঙি ধৰিছিল ওচৰৰ পৰা তাক তেওঁ নেদেখিলে, বলশ্বেভিকসকলৰ কাণ্ডকাৰখানা দেখি তেওঁ বিতুষ্টহে হল। তাত তেওঁ প্ৰলিটেৰিয়েটৰ শাসন নেদেখিলে, বৰং দেখিলে এমুঠি নেতাৰ একচ্ছত্ৰিতা। নিজে দৃষ্টিভঙ্গীত সমাজবাদী হৈয়ো ব্যক্তিস্বাধীনতা চেপি ধৰি হিংসা আৰু দ্বেষৰ আলমত অনা পৰিবৰ্তনত তেওঁ ভাবসা নাপালে। তেওঁ দেখিলে ফৰাছী বিপ্লবৰ পটভূমিত যি সাম্ৰাজ্যবাদৰ অঙ্কুৰ গজি উঠিছিল, ৰুছিয়াতো এই বিপ্লবৰ উত্তেজনাত সাম্ৰাজ্যবাদী মনোভাব জাগি উঠিব। তেওঁৰ মতবাদ আগৰ দৰেই বহুতে পচন্দ নকৰিলে, বৰং তেওঁক কেতবিলাকে আখ্যা দিলে ভীৰু, আন কেতবিলাকে দিলে বলশ্বেভিক গাহৰি। ইয়াৰ পিচতে তেওঁ চীনদেশলৈ যায় আৰু তাত পিকিং বিশ্ববিদ্যালয়ত এবছৰমান অধ্যাপনা কৰে। এই সময়খিনিত নতুন দেশ আৰু নতুন মানুহৰ ধৰণ-কৰণ দেখিবলৈ সুযোগ পাই তেওঁ বিশেষ তৃপ্তিলাভ কৰে। চীনদেশৰ সাংস্কৃতিক উৎকৰ্ষ আৰু মানুহৰ যুক্তিপ্ৰধান প্ৰকৃতিয়ে এই দেশৰ ভবিষ্যৎসম্পৰ্কে তেওঁক যথেষ্ট আশ্বাসো দিয়ে।

## ( ৪ )

চীনদেশৰ পৰা উভতি আহি বাছেলে এক নতুন পৰীক্ষা চলায়—এইবেলি শিক্ষাৰ ক্ষেত্ৰত। তেওঁ ইতিমধ্যে বিয়া কৰাইছে দ্বিতীয়বাৰ আৰু সন্তানৰ পিতৃও হৈছে। তেওঁ দেখিবলৈ পালে প্ৰকৃত শিক্ষাৰ প্ৰচাৰ নহলে সমাজৰ উদগতিৰ সম্ভাৱনা নাই। গতানুগতিক শিক্ষা পচন্দ নকৰি তেওঁ স্কুল এখন পাতিবলৈ চেষ্টা কৰিলে। এইখন স্কুল নচলিল। সৌভাগ্যবশতঃ আন স্কুল এখনত পৰীক্ষা চলাবলৈ তেওঁ সুযোগ পালে।

১৯২৭ চনৰ পৰা ১৯৩২ চনলৈ স্কুলখনত তেওঁৰ ঘৈণীয়েকৰ সৈতে যি পৰীক্ষা চলালে তাৰ ফলস্বৰূপে বহুতৰ পৰা ককৰ্থনা পালে যদিও

তেওঁৰ যথেষ্ট অভিজ্ঞতা লাভ হ'ল আৰু লাভ হ'ল ৰাইজৰ—'এডুকেশ্যন এণ্ড ডি চোচিয়েল অৰ্ডাৰ' নামৰ কিতাপ ( ১৯৩২ ) আৰু আন ৰচনাৰ যোগেদি। 'অন এডুকেশ্যন' নামৰ কিতাপখন ১৯২৬ চনতে প্ৰকাশ হৈছিল। ৰাছেলে কোৱামতে, স্কুলৰ 'প্ৰশাসনীয় ব্যাপাৰ'ত তেওঁ কৃতকাৰ্য্য হোৱা নাছিল, তেওঁ হেনো কাৰ্য্যতকৈ বক্তৃতাতহে বেছি পাকৈত। সি যি নহক, তেওঁ ছাত্ৰ-ছাত্ৰীক সম্পূৰ্ণ স্বাধীনতা দিব নোখোজে, আমেৰিকাৰ জন ডিউই আদি শিক্ষাবিদৰ 'প্ৰগতিশীল' শিক্ষাৰ আৰ্হিত শিক্ষা তেনেই পনীয়া কৰি দিবও নোখোজে; তেওঁ ভাবে ছাত্ৰ-ছাত্ৰীয়ে এটি বিশেষ কাৰ্য্যপন্থা নাইবা ৰুটিন অনুসৰণ কৰিব লাগে—যদিও এনে কটিন যে সদায় মানিব লাগে তাৰো কোনো যুক্তি নাই; ছাত্ৰ-ছাত্ৰীয়ে ভবিষ্যতে সমাজৰ লগত খাপ খাবৰ উদ্দেশ্যে হৃদয়ঙ্গম কৰিব লাগে যে তেওঁলোকক কেন্দ্ৰ কৰিয়ে ব্ৰহ্মাণ্ডখন ঘূৰুৰে আৰু তেওঁলোকৰ ইচ্ছা-অনিচ্ছাতকৈয়ো ডাঙৰ কথা থাকিব পাৰে। প্ৰশ্ন কৰিবলৈ, উদ্ভাৱন কৰিবলৈ স্বাধীনতাৰ প্ৰয়োজন, কিন্তু এনে প্ৰশ্নৰ কাৰণে উপযুক্ত হবলৈ কিছু প্ৰাথমিক মানসিক কৰ্ষণৰো আৱশ্যকতা নোহোৱা নহয়। বহুতো মনীষীয়ে শিক্ষাৰ স্বৰূপ সম্বন্ধে উক্তি কৰি গৈছে—ৰাছেলে কয়, "শিকনি বা দিহাৰ আলমত কেতবোৰ মানসিক অভ্যাসৰ আৰু জীৱন আৰু সংসাৰ-সম্বন্ধে বিশেষ এক দৃষ্টিভঙ্গীৰ গঢ় দিব পৰাটোৱে শিক্ষাৰ সংজ্ঞা।"

ব্যক্তি-স্বাধীনতসম্পৰ্কত তেওঁ ক্ৰমে কিছু পৰিমাণে ৰক্ষণশীল হৈ পৰে। তেওঁ দেখিলে যে স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত যেনেকৈ ছাত্ৰ-ছাত্ৰীক কিছুমান ধৰা-বন্ধা নিয়ম বা শৃঙ্খলাৰ মাজেদি নিবলগীয়া হয়, সেইদৰে সাবালক মানুহকো কিছুমান অভ্যাস অনুশীলন কৰাৰ লাগে। মানুহে বহুত সময়ত অভ্যাসৰ প্ৰেৰণাত কাম কৰে, সেই কাৰণে ভাল অভ্যাসত অভ্যস্ত কৰিব পাৰিলে কামবিলাক হিতকাৰী হোৱাৰ সম্ভাৱনা। ব্যক্তিৰ অহিতকাৰী মনোবৃত্তিবোৰ সংযত কৰিব পাৰিলেহে সমূহীয়া শান্তি বিৰাজ কৰিব পাৰে; অকল বৈজ্ঞানিক

কৌশলৰ সংবৰ্ধনে জগতৰ হিত নাসাধে, তাৰ লগত লাগে জ্ঞান; নীতি বৰ্জন কৰি মেধাৰ উৎকৰ্ষ সাধিবলৈ গলে অনৰ্থৰ হে সৃষ্টি হয়। এনে যুক্তিবোৰে বৰ্তমান যুগত বিজ্ঞানৰ উৎকৰ্ষ কি ভয়াবহ বাটেৰে আগ বাঢ়িছে তালৈ আঙুলিয়ায়।

শিক্ষক কি ধৰণৰ হোৱা উচিত নাইবা শিক্ষানুষ্ঠানৰ দায়িত্ব কোনে লোৱা যুগুত এই সম্পৰ্কেও ৰাছেল সজাগ। তেওঁৰ মতে, প্ৰাচীন কালত যি প্ৰকৃততে পণ্ডিত আৰু জ্ঞানী আছিল সেই-সকলেহে শিক্ষা দিছিল; চক্ৰেটিছ, প্লেটো, জিয়ৰ্ডানো ব্ৰুনো আদি দাৰ্শনিকসকলক ৰাষ্ট্ৰ নাইবা ধৰ্ম্মচালিত শক্তিবিলাকে হয়তো ধ্বংস কৰিছিল, নহয়তো আনধৰণে জীয়াতু ভোগাইছিল, তথাপি এওঁলোকৰ চিন্তাৰ স্বাধীনতা আছিল সৰহ। ইউৰোপত খৃষ্টধৰ্মৰ প্ৰাধান্যই চিন্তাৰ স্বাধীনতা কাঢ়ি ললে; নবাভ্যুদয় যুগত জ্ঞানৰ সমাদৰ বাঢ়িল যদিও বিশ্ববিদ্যালয়বিলাক হ'ল সংকীৰ্ণতা আৰু গোড়ামিৰ বাসস্থান—চিন্তাৰ পৰিচয় যদিহে ক'ৰবাত ওলাল, সি ওলাল বিশ্ববিদ্যালয়ৰ চৌহদৰ বাহিৰত। "বিশেষকৈ ইংলণ্ডত, ঊনবিংশ শতিকাৰ শেহভাগলৈ, নিউটনৰ বাহিৰে প্ৰথম শ্ৰেণীৰ লোক কাচিৎহে বিশ্ববিদ্যালয়ৰ লগত জড়িত আছিল।"

শিক্ষণৰ দায়িত্ব কোনে লোৱা যুগুত—ৰাষ্ট্ৰ, ধৰ্মচালিত অনুষ্ঠান, শিক্ষক, নে পিতৃ-মাতৃয়ে—এই বিষয়েও তেওঁ মূল্যবান চিন্তা আগ-বঢ়াইছে। উদ্দেশ্য হ'ল শিশুৰ মঙ্গল কামনা, কিন্তু প্ৰত্যেকে ঠিৰাং কৰে শিশুক এই এই বাটেদি নিব পাৰিলেহে ফল দিব। অনভিজ্ঞ শিশুৰ মাত মাতিবৰ উপায় নাথাকে। ৰাষ্ট্ৰৰ কথা কব গ'লে, আধুনিক ৰাষ্ট্ৰৰ একশ্ৰেণী একচ্ছত্ৰী—যি কাঢ়ি নিছে ব্যক্তিৰ স্বকীয়া বোধ-চিন্তাৰ স্বাধীনতা, আন একশ্ৰেণী উৎকট জাতীয় ভাবেৰে স্পন্দিত —এওঁলোকে প্ৰশ্ৰয় দিয়ে দলগত খৰিয়ালৰ আৰু বিদেশীৰ প্ৰতি বিদ্বেষৰ। পিতৃ-মাতৃ বহুত সময়ত শিশুৰ অভিভাৱক হবৰ উপযুক্ত নহয়। ধৰ্মচালিত স্কুল-কলেজবিলাক ভণ্ডামি আৰু গোড়ামিৰ

সাকৰা পথাব। হয়তো একমাত্র ভাৰসা শিক্ষকৰ ওপৰতে, যদিহে তেওঁলোক উপযুক্ত হয় আৰু তেওঁলোকে নিজক দলীয় ৰাজনীতিৰ পৰা আঁতৰাই ৰাখি ছাত্ৰ-ছাত্ৰীক নিৰপেক্ষ দৃষ্টি-ভঙ্গী আৰু সকলো কথা চালি-জাৰি চোৱা অভ্যাস দিব পাৰে। 'শিক্ষকৰ কৰ্ম' নামৰ ৰচনা এখনত তেওঁ এইদৰে উক্তি কৰিছে: "আন যি-কোনো শ্ৰেণী-তকৈও শিক্ষকসকলহে সভ্যতাৰ অভিভাৱক।" শিক্ষকসকলৰ দায়িত্ব হ'ল সভ্যতা কি, তাৰ স্বৰূপ কি বোধ কৰি সেই বোধ ছাত্ৰ-ছাত্ৰীৰ অন্তৰত স্থাপন কৰা। তেওঁ কয়, সভ্যতা কিছু পৰিমাণে জ্ঞানৰ কথা আৰু কিছু পৰিমাণে অনুভৱৰ কথা—অৰ্থাৎ, তাৰ স্বৰূপ বুজি অন্তৰত বোধ কৰিবৰ আৱশ্যক। তেহে সেইসম্পৰ্কে সুস্পষ্ট আৰু কাৰ্য্যকৰী ধাৰণা এটিৰ সৃষ্টি হব পাৰে।

যিবিলাক অনুষ্ঠানে ব্যক্তিৰ মানসিক বিকাশ আড়ষ্ট কৰে, যিবিলাক আচাৰ-বিচাৰে ব্যক্তিৰ বিচাৰণাশক্তি জপতিয়াই ধৰে, সেইবিলাকৰ প্ৰতি ৰাছেল অধৈৰ্য্য। এই অধৈৰ্য্যতা প্ৰকাশ পায় অনুপম ব্যঙ্গত। কিবা এটি আচাৰ প্ৰাচীন নাইবা তাক বহুলোকে মানে এই বুলিয়ে যে তাৰ সাৰ্থকতা, এনে ভাৱ তেওঁৰ সমূলি নাই। ইউৰোপৰ শিক্ষাৰ ব্যৱস্থা এই শতিকাৰ গুৰিলৈ ঘাইকৈ খৃষ্টীয় সত্ৰবিলাকেহে কৰিছিল, ইংলণ্ডৰ পুৰণি বিশ্ববিদ্যালয়বোৰো গুৰিতে আছিল সম্পূৰ্ণকৈ ধৰ্মীয় অনুষ্ঠান। ইংলণ্ডত এতিয়াও ৰোমান কেথলিক আৰু চাৰ্চ্চ অভ ইংলেণ্ডে ( ইংলণ্ডীয় মাৰ্কাৰ প্ৰোটেষ্টাণ্ট পন্থ ) স্থাপন কৰা স্কুলৰ সংখ্যা ৮০০০ৰ ওপৰ ( ১৯৫৫ )। এই-বিলাকৰ সৰহখিনিৰ ভিতৰতে অৱশ্যে চৰকাৰী কৰ্তৃত্ব সোমাইছে, কিন্তু এই সংখ্যাবোৰে দেখুৱায় স্বকীয়া স্বকীয়া ধৰ্মমতে দেশৰ শিক্ষা-ব্যৱস্থাকে কেনেকৈ সাঙুৰি লৈছিল। বহুত সময়ত কোনো স্কুল নাইবা কলেজত চাকৰি লবলৈ গলে আবেদনকাৰীয়ে ধৰ্মসম্বন্ধে বিশেষ প্ৰতিজ্ঞা দিহে চাকৰিত বাহাল হব পাৰিছিল। গোড়ামিৰ ক্ষেত্ৰত ভাৰততকৈ যে ইউৰোপ এখাপ চৰা এই বিষয়ত সন্দেহ নাই